গড়গাঁও মহাবিদ্যালয়

GARGAON COLLEGE

NAAC accredited with 'B' Grade



# MUSHROOM CULTIVATION TRAINING



গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade

**About the Mushroom Cultivation Training Program:**

The NSS unit of Gargaon College conducted a mushroom cultivation training program at Longkak Gohain Gaon on 8th February, 2022. The training was aimed at empowering the women of the village by teaching them the scientific method of mushroom cultivation. The resource person for the training was Dr. Trishnali Saikia, Subject Matter Specialist in Agriculture Economics from Krishi Bigyan Kendra, Rohdoi, Sivasagar. Dr. Saikia demonstrated the various steps involved in mushroom cultivation, such as preparing the substrate, inoculating the spawn, maintaining the temperature and humidity, harvesting and marketing. She also explained the nutritional and medicinal benefits of mushrooms and encouraged the women to take up mushroom cultivation as a source of income and livelihood. She said that women could not only become self-reliant by mushroom cultivation, they could also occupy the global market through mushroom production. The training was attended by several women from the village who showed keen interest in learning the skill. The training was a success and the NSS unit plans to conduct more such trainings in the future.

## Photos of  Mushroom cultivation Training:






গড়গাঁও মহাবিদ্যালয়
GARGAON COLLEGE
NAAC accredited with 'B' Grade





শিৱসাগৰত এন এছ এছৰ উদ্যোগত বিশেষ প্ৰশিক্ষণ শিবিৰ

# বৈজ্ঞানিক পদ্ধতিৰে কৰা কাঠফুলাৰ খেতি স্বাৱলম্বনৰ এক সমল

**প্ৰতিদিন বিশেষ সেৱা, শিৱসাগৰ, ১০ ফেব্ৰুৱাৰী ঃ** সাম্প্ৰতিক সময়ত বৈজ্ঞানিক কৃষি পদ্ধতিৰে কাঠফুলাৰ খেতি স্বাৱলম্বনৰ এক সমল। এই মন্তব্য শিৱসাগৰ জিলাৰ ৰহদৈ কৃষি বিজ্ঞান কেন্দ্ৰৰ কৃষি অৰ্থনীতি বিভাগৰ বিষয়বস্তু বিশেষজ্ঞ ড° তৃষ্ণালী শইকীয়াৰ। শিৱসাগৰ জিলাৰ গড়গাঁও মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ উদ্যোগত সপ্তাহজোৰা কাৰ্যসূচীৰে মহাবিদ্যালয়ৰ গৃহীত গাঁও লংকাক গোহাঁই গাঁৱত অনুষ্ঠিত বিশেষ শিবিৰৰ এটি প্ৰশিক্ষণ কাৰ্যসূচী। মহিলাসকলৰ স্বাৱলম্বনৰ বাবে বৈজ্ঞানিক কৃষি পদ্ধতিৰে কাঠফুলা খেতিত প্ৰশিক্ষক তথা সমল ব্যক্তিৰূপে উপস্থিত থকা ড° শইকীয়াই কয় যে মহিলাসকলে বৈজ্ঞানিক পদ্ধতিৰে কাঠফুলা খেতি কৰিলে অৰ্থনৈতিকভাৱে সবল হোৱাৰ লগতে আন্তঃৰাষ্ট্ৰীয় বজাৰো দখল কৰিবলৈ সক্ষম হ'ব। বিশেষ শিবিৰৰ অন্য এক কাৰ্যসূচী 'কেঁচুসাৰ উৎপাদন প্ৰশিক্ষণ'ত মহিলাসকলে কিদৰে ব্যৱসায় ভিত্তিত কেঁচুসাৰ উৎপাদন কৰিব পাৰে সেই সম্পৰ্কে প্ৰশিক্ষণ দিয়ে অন্য এগৰাকী সমল ব্যক্তি ৰহদৈ কৃষি বিজ্ঞান কেন্দ্ৰৰ ভূমি বিজ্ঞান বিভাগৰ বিষয়বস্তুৰ বিশেষজ্ঞ ড° অৰুন্ধতী বৰদলৈয়ে। মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ কাৰ্যক্ৰম বিষয়া ড° ৰিমঝিম বৰাৰ তত্বাৱধানত প্ৰায় শতাধিক স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাই সহযোগ কৰা এই বিশেষ শিবিৰৰ উদ্বোধনী অনুষ্ঠানত শিবিৰৰ উদ্দেশ্য ব্যাখ্যা কৰে ড° ৰিমঝিম বৰাই। উদ্বোধনী অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থকা গোহাঁইগাঁও চিকিৎসালয়ৰ চিকিৎসক ডাঃ ৰমেন লয়িঙে শিবিৰটোৰ উদ্দেশ্যৰ শলাগ লয়। মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰূপণ কোষৰ সমন্বয়ক ড° সুৰজিৎ শইকীয়া, ড° বিদ্যানন্দ বৰকাকতী, অনিল তাঁতীয়ে তেওঁলোকৰ বক্তব্যত এই শিবিৰে গাঁওবাসীক কি কি দিশত লাভান্বিত কৰিব সেই সম্পৰ্কে উল্লেখ কৰে। গড়গাঁও মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ ভিন্ন দিশত পাৰদৰ্শী স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাসকলে গাঁৱৰ শিশু তথা মহিলাসকলক পৰিবেশ সংৰক্ষণৰ বাবে পেলনীয়া সামগ্ৰীৰ পৰা আলংকৰিক সামগ্ৰী কেনেকৈ প্ৰস্তুত কৰিব পাৰি সেই সম্পৰ্কে প্ৰশিক্ষণ দিয়াৰ লগতে এখনি প্ৰদৰ্শনীৰো আয়োজন কৰে। গড়গাঁও মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সব্যসাচী মহন্তই এনেধৰণৰ শিবিৰ অনুষ্ঠিত কৰি গাঁওবাসীৰ সৰ্বতোপ্ৰকাৰে উন্নয়ন কৰিবলৈ প্ৰয়াস কৰা ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ প্ৰচেষ্টাক শলাগ লোৱাৰ লগতে শিবিৰত অংশগ্ৰহণ কৰা সমূহ স্বেচ্ছাসেৱক-স্বেচ্ছাসেৱিকাক দিহা-পৰামৰ্শৰে উৎসাহিত কৰে।

